## আয়ুৰ্বেদ শাস্ত্ৰৰ উৎপত্তি আৰু প্ৰচাৰ

বৈদিক সাহিত্যৰ পৰম্পৰাত চাৰিখন উপবেদ পোৱা যায়। সেইকেইখন হ'ল- আয়ুৰ্বেদ, ধনুৰ্বেদ, গান্ধৰ্ববেদ আৰু অৰ্থশাস্ত্ৰ। এইবিলাকক ক্ৰমে ঋগ্বেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদৰ উপবেদ বুলি কোৱা হয়।

আয়ুৰ্বেদ হ'ল ভাৰতবৰ্ষত প্ৰচলিত প্ৰাচীনতম চিকিৎসা ব্যৱস্থা। এই প্ৰাচীন ভাৰতীয় চিকিৎসা ব্যৱস্থা কেতিয়াৰ পৰা প্ৰচলন হৈছিল তাক সঠিক ভাৱে কোৱা টান। কিছুমান পণ্ডিতৰ মতে ই খ্ৰী:পূ: দহ হেজাৰ পূৰ্বৰ আৰু কিছুমানৰ মতে খ্ৰী:পূ: ৬০০ বছৰ পূৰ্বৰ। ইয়াৰ ইতিহাস মানৱ সুৰক্ষাৰ সমান। আয়ু সম্পৰ্কীয় জ্ঞান লিপিবদ্ধ থকা চিকিৎসা বিষয়ক গ্ৰন্থক আয়ুৰ্বেদ বোলে। স্বৰ্গ আৰু মৰ্ত্য দুয়ো লোকতে দেৱতা আৰু মানুহৰ মাজত আয়ুৰ্বেদৰ প্ৰভাৱ, উপযোগিতা আৰু মহত্ত্ব স্বীকাৰ কৰি অহা হৈছে। এই আয়ুৰ্বেদ শাস্ত্ৰৰ প্ৰথম সৃষ্টিকৰ্তা হ'ল ব্ৰহ্মা। ব্ৰহ্মাৰ পৰা প্ৰজাপতি দক্ষই আয়ুৰ্বেদৰ জ্ঞান লাভ কৰিছিল। দক্ষ প্ৰজাপতিৰ পৰা অশ্বিনীকুমাৰ যুগলে আৰু অশ্বিনীকুমাৰ যুগলৰ পৰা দেৱৰাজ ইন্দ্ৰই আয়ুৰ্বেদৰ জ্ঞান লাভ কৰিছিল। আয়ুৰ্বেদৰ মূল সূত্ৰ হৈছে বায়ু, পিত্ত, কফ আদি ত্ৰিদোষ সিদ্ধান্ত। আয়ুৰ্বেদৰ মূল উদ্দেশ্য হৈছে সুস্থসকলৰ স্বাস্থ্য অটুট ৰখা আৰু ৰোগাক্ৰান্তসকলৰ ৰোগ নিৰাময় কৰা।

আয়ুৰ্বেদৰ মতে মানুহৰ সকলো কায়িক উৎকৰ্ষ সাধন হ'লেই স্বাস্থ্যবান হ'ব নোৱাৰে। ইয়াৰ বাবে মানসিক উৎকৰ্ষ সাধনৰো বিশেষ প্ৰয়োজন। সেয়েহে মানসিক উৎকৰ্ষতা লাভৰ বাবে আয়ুৰ্বেদ শাস্ত্ৰৰ ঠাই বিশেষে সদ্বাক্য, সদাচাৰ আদি সন্নিবেশ কৰা হৈছে। চৰক সংহিতাত বৰ্ণনা কৰা আছে যে ৰসায়ন ঔষধ সেৱন কৰিলে যিদৰে মানুহৰ বল, বৰ্ণপুষ্টি আদি সাধন হৈ মানুহৰ আয়ুস বাঢ়ে সেইদৰে আচাৰ, ৰসায়নোক্ত সদাচাৰ, সদ্বাক্য অনুশীলনৰ পৰা মানুহৰ উৎকৰ্ষ সাধন হয়।

'চৰক সংহিতা'ত কোৱা হৈছে যে ধৰ্ম-অৰ্থ-কাম-মোক্ষ আদি চতু: পুৰুষাৰ্থৰ সিদ্ধিত লাগি থকা বাবে ঋষি আদি লোকসকলৰ শাৰীৰিক শক্তি দুৰ্বল হৈ পৰা দেখি পৰম দয়ালু ঋষিসকলে অনেকোৰ বাধা-বিপত্তি দূৰীকৰণৰ বাবে পৱিত্ৰ ধাম হিমালয়ত সমবেত হ'ল। তেওঁলোকে ধ্যানৰ বলত আৰু চিন্তাৰ বলত জানিলে যে পৰম আয়ুৰ্বেদজ্ঞ দেৱৰাজ ইন্দ্ৰইহে মৰ্ত্যলোকৰ লোকসকলৰ ৰোগ প্ৰশমনৰ বাবে সকলো উপায় কৰিব পাৰে। এই হিমালয়ত ৩২ জন ঋষি একগোট হৈ আলোচনা কৰি ভৰদ্বাজক ইন্দ্ৰৰ ওচৰলৈ পঠিয়ালে। ভৰদ্বা-

যে সি ইন্দ্ৰৰ ওচৰত আয়ুৰ্বেদৰ জ্ঞান পাবলৈ প্ৰাৰ্থনা জনালে। ইন্দ্ৰৰ অনুগ্ৰহত ভৰদ্বাজ ঋষিয়ে আয়ুৰ্বেদ শাস্ত্ৰৰ জ্ঞান লাভ কৰি মৰ্ত্যলোকলৈ উভতি আহিল। কিন্তু আয়ুৰ্বেদৰ জ্ঞান লাভ কৰাটো বৰ জটিল হোৱাত মৰ্ত্যলোকৰ অধিবাসীসকলৰ মেধা শক্তিয়ে তাক আয়ত্ত কৰিবলৈ অপাৰগ হ'ল। সেয়েহে সৃষ্টিকৰ্তা ব্ৰহ্মাই ঋষিসকলৰ অনুৰোধক্ৰমে সময় অনুসৰি মানুহৰ বুদ্ধি-বৃত্তি আৰু আয়ুস কম হোৱালৈ চকু ৰাখি সেই লক্ষশ্লোকাত্মক আয়ুৰ্বেদ শাস্ত্ৰখন আঠ অংশত বিভক্ত কৰিলে। সেই আঠ অংশ ক্ৰমে- শল্য, শালাক্য, কায়-চিকিৎসা, ভূতবিদ্যা, কৌমাৰভৃত্য, অগদতন্ত্ৰ, ৰসায়ন আৰু বাজীকৰণ। কাশ্যপ বাগ্‌ভটে কৈছে যে সময় অনুক্ৰমে মানুহৰ বুদ্ধিলৈ নজৰ ৰাখি ইন্দ্ৰৰ পৰা ভৰদ্বাজ, ধন্বন্তৰি আদিয়ে যি জ্ঞান লাভ কৰিছিল, সি অষ্টাংগপূৰ্ণ আছিল যদিও কোনো এক অংশতে কেন্দ্ৰীভূত আছিল। যেনে- ধন্বন্তৰিয়ে ভিষকক্ৰিয়াৰ ওপৰত, পুনৰ্বসুয়ে কায়চিকিৎসাৰ ওপৰত আৰু কাশ্যপে কেৱল কৌমাৰ-ভৃত্যৰ ওপৰত অধিক মনোনিবেশ কৰিছিল। ভৰদ্বাজে আহৰণ কৰা অষ্টাংগবিভাজিত শাস্ত্ৰৰ ভেতাল শল্য চিকিৎসাৰ বিষয়ে ধন্বন্তৰিয়ে শিকিলে আৰু তেওঁ পাছত আনক শিকাইছিল। সেইদৰে কায়চিকিৎসাৰ বিশেষ জ্ঞান লাভ কৰিছিল পুনৰ্বসুয়ে। তেওঁলোক দুয়োজন ভৰদ্বাজৰ শিষ্য আছিল। আয়ুৰ্বেদৰ ইতিহাসত ধন্বন্তৰি আৰু পুনৰ্বসুৰ বিশেষ স্থান আছে।

আনহাতে পুৰাণসমূহত ধন্বন্তৰিকহে আয়ুৰ্বেদ আঠ অংশত বিভাজন কৰ্তা বুলি কোৱা হৈছে। তাত কোৱা আছে যে দ্বাপৰৰ প্ৰথম ভাগত কাশীৰাজ শৌনহোত্ৰৰ বংশত ধন্বন্তৰিৰ জন্ম হয়। তেওঁ ভৰদ্বাজৰ ওচৰত আয়ুৰ্বেদৰ শিক্ষা গ্ৰহণ কৰি পাছত তেওঁ শাস্ত্ৰক অষ্টাংগত বিভক্ত কৰি নিজৰ সুযোগ্য শিষ্যসকলক শিক্ষা দান কৰে।